# বাংলাদেশ প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় ভ্ৰমণ (৬-৭ জুন,২০১৫)

২৬ মে ২০১৫

বাংলাদেশৰ প্ৰধানমন্ত্ৰী সন্মানীয়া শ্বেখ হাচিনাৰ আমন্ত্ৰম ক্ৰমে প্ৰধানমন্ত্ৰী ৰেন্দ্ৰ মোদী ৬ জুন ২০১৫ ৰ পৰা ৭ জুন ২০১৫ তাৰিখলৈ ৰাষ্ট্ৰীয় ভ্ৰমণ কাৰ্য্যসূচীলৈ বাংলাদেশ ভ্ৰমণ কৰিব ।ভাৰত দ্বিপাক্ষীক সম্পৰ্কৰ ক্ষেত্ৰত ভাৰতে যে বাংলাদেশক যথেষ্ট গুৰুত্ব দি আহিছে,প্ৰধানমন্ত্ৰী গৰাকীৰ প্ৰথম বাংলাদেশ ভ্ৰমণে তাকেই প্ৰতিফলিত কৰিছে ।এই ভ্ৰমণে দুয়ো দেশৰ মাজত সৌহাৰ্দ্যপূৰ্ণ আৰু সহয়োগিতামুলক সম্পৰ্কৰ সম্প্ৰসাৰণ আৰু বন্ধুত্ব পূৰ্ণ সম্বন্ধ সুদৃঢ় আৰু ভাৰত আৰু বাংলাদেশৰ মাজত পাৰস্পাৰিক বিশ্বাস বৃদ্ধি কৰিবলৈ আশা কৰা হৈছে ।

এই ভ্ৰমণ কালত প্ৰধানমন্ত্ৰী গৰাকীয়ে বাংলাদেশৰ প্ৰধানমন্ত্ৰী সন্মানীয় শ্বেখ হাচিনাৰ সৈতে বৈঠকত মিলিত হব ।বাংলাদেশৰ ৰাষ্ট্ৰপতি মহামহিম মি:মহম্মদ আব্দুল হামিদৰ সৈতে সাক্ষাত কৰাৰ কাৰ্য্যসূচীও এই ভ্ৰমণত অৰ্ন্তভূক্ত হৈ আছে ।

নতুন দিল্লী

২৬ মে ২০১৫